## জাৰ বেৰা (Gerbera) ঃ

ডেইজী বৰ্গীয় অতি জনপ্ৰিয় ফুল জাৰবেৰা সাধাৰণতে দক্ষিণ আমেৰিকা, আফ্ৰিকা আৰু এছিয়া মহাদেশত পোৱা যায়। প্ৰভুত ব্যাসায়িক গুৰুত্ব থকা এই ফুলবিধ হ'ল বিশ্বৰ পাঁচবিধ অতি ব্যৱহৃত ফুলৰ অন্যতম।

সমগ্ৰ বিশ্বত কেইবাৰভীও জাৰবেৰা ফুল পোৱা যায়। সেইবোৰ হ'ল - উজ্বল আৰু কম উজ্বল হালধীয়া, সুমথিৰা, গুলপীয়া, গভীৰ ৰঙা, অতি উজ্বল ৰঙা আৰু বহুতো। ৰঙৰ ভিন্নতাৰ দৰে ইয়াৰ জাতৰো ভিন্নতা দেখিবলৈ পোৱা যায়। জাৰবেৰাৰ কেইবিধমান জাত হ'ল - জাৰবেৰা আনন্দ্ৰিকৃয়া, জাৰবেৰা অৰেনতিয়াকা, জাৰবেৰা জেমেছ'নি জাৰবেৰা ডেইজী আদি।

### সাধাৰণ জাৰবেৰা ঃ

Red Gem, কমলা, সেউজীয়া, হালধীয়া ৰাণী, Classic Beanty popular, ড° জাকিৰ হুছেইন, Double Super Gaint, চিকিমৰ গৌৰৱ, ইন্দ্ৰকুমাৰী, Red Monarch, এভল ভাৰতৰ গৌৰৱ, Pink Melody Avon.

**মাজত কলা থকা জাৰবেৰা ঃ** Miracola, পিটন।

**জাৰবেৰা ৰোৱাৰ সময় ঃ** শিপাৰ পৰা ওলোৱা পোখা বা গজালি বিলাক ছেপ্টেম্বৰ-অক্টোবৰ মাহত ৰুব লাগে। গজালিবিলাক ৩০ ছেঃ মিঃ দূৰত্বত ৰুব লাগে আৰু শাৰীবিলাকৰও ব্যৱধান ৩০ ছেঃ মিঃ হ'ব লাগে।

### জাৰবেৰাৰ বাবে মাটি আৰু উপযুক্ত ব্যৱস্থা ঃ

উপযুক্ত নলী-নাদৰ ব্যৱস্থ্য থকা বালিচহীয়া মাটি জাৰবেৰাৰ বাবে উপযুক্ত।

### জাৰবেৰাৰ গছৰ সংৰক্ষণ ঃ

জাৰবেৰাক আক্ৰমণ কৰা মোৱা পোক আৰু ঘূণ পোকৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ এক লিটাৰ পানীত ১.৫ মিঃ লিঃ Dimethoate ৩০ কও স্প্ৰে কৰিব লাগে। পাতখোৱা পোকৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ ৫% মালাথিভান গুৰি ছটিয়াব লাগে। বাৰিষা সময়ত জাৰবেৰাৰ পাতৰ বিভিন্ন ৰোগ হয় আৰু ইয়াৰ পৰিত্ৰাণৰ বাবে এক লিটাৰ পানীত ২ গ্ৰাম বেনলেট অফ কেপটান স্প্ৰে কৰিব লাগে।

### ফুল ছিঙিবৰ সময়ত আৰু ফুল ছিঙিবৰ আগত লব লগা সাৱধানতা ঃ

জাৰবেৰা ফুল ছিঙাৰ উপযুক্ত সময় হ'ল যেতিয়া ফুলটোৰ ওপৰভাগৰ দ্বিতীয় শাৰীৰ পৰাগ ৰেণুবিলাক প্ৰস্ফুতিত হয়। ফুল বিলাকক ইয়াৰ আকৃতি আৰু ঠাৰিৰ দীঘলতাৰ ওপৰত বিভিন্ন স্তৰত ভাগ কৰা হয়। অকল ফুলটো পেকিং কৰা হয় পলিথিন বা জালেৰে যাতে ফুলটো বেয়া হৈ নাযায়। ইয়াৰ বাবে ফুলটো দূৰলৈ ব্যৱসায়ৰ বাবে পঠাব পাৰি।

### জাৰবেৰা ডেইজীৰ গজোৱাৰ প্ৰণালী ঃ

বীজ, পুলি বা ডালৰ পৰা জাৰবেৰা ডেইজীৰ খেতি কৰিব পাৰি। ইয়াৰে বীজ হ'ল কম খৰচী পদ্ধতি। কিন্তু গজালি ওলোৱাৰ পূৰ্বেই বীজবোৰ সিঁচাতো জৰুৰী। তদুপৰি এই কথা মনত ৰখা উচিত যে বহু সময়ত বীজৰ পৰা গছ নগজিবও পাৰে।

পুলি অথবা ডালৰ পৰা সহজে এই ফুলৰ খেতি কৰিব পাৰি। এই পদ্ধতিৰ খেতিৰ যোগাত্মক দিশটো হ'ল যে ইয়াৰদ্বাৰা খেতি কৰা ফুলবিধৰ জাত সম্বন্ধে নিশ্চিত হ'ব পাৰি। যদি আপোনাৰ পুৰণি জাৰবেৰা আছে তেনেহ'লে বসন্ত কালৰ আৰম্ভণিতে ইয়াৰ ওপৰৰ অংশ কাটি আৰু তলৰ পাতবোৰ একৱাৰ লগে লগে ৰুব পাৰিব।





### মাটি ৰোপণ প্ৰণালী ঃ

ৰ'দ ঘাই আৰু বালিচহীয়া মাটি এই খেতিৰ বাবে উপযোগী। ফুলবোৰ ভালদৰে বাঢ়িবলৈ কিছু পৰিমাণে পচন সাৰ প্ৰয়োগ কৰিব পাৰি।

বেছি গভীৰত ৰুৱাৰ বাবে জাৰবেৰা ডেইজীৰ ক্ষেত্ৰত দেখা দিয়া সচৰাচৰ সমস্যাটো হ'ল গজালি গেলি যোৱা। গতিকে এই ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰা উচিত। গজালিবোৰ মাটিৰ ওপৰত দেখা পোৱাকৈ থ'ব লাগে আৰু প্ৰতিবাৰে পানী দিয়াৰ মাজৰ সময়খিনিত গজালিবোৰ শুকাবলৈ দিয়া দৰকাৰ। সেইদৰে জৈৱ সাৰাদি প্ৰয়োগ কৰোঁতেও এই কথা মনত ৰখা উচিত যাতে এইবোৰেও গজালিবোৰ পুতি নেপেলায়।

যদি আপুনি সেমেকা বা আৰ্দ্ৰ জলবায়ুৰ বা কঠিন মাটিৰ অঞ্চলৰ বাসিন্দা তেন্তে আপুনি ভালদৰে চাহ কৰা মাটিৰ পাত্ৰত এই খেতি কৰিব পাৰে।



## জাৰবেৰা ডেইজীৰ যতন ঃ

জাৰবেৰা ডেইজীৰ ক্ষেত্ৰত গজালি গেলি যোৱা আৰু অন্যান্য বেক্টেৰিয়াৰ সংক্ৰামণৰ পৰা ৰক্ষা কৰিবলৈ পুৱাৰ ভাগতহে পানী দিয়া উচিত, যাতে দিনৰ পোহৰত ই শুকাই যায়।

যিকোনো পাত খাই নষ্ট কৰা পোক-পৰুৱা আদিৰ সংক্ৰমণ ঘটিছে নেকি লক্ষ্য কৰি থাকিব লাগে আৰু প্ৰয়োজন অনুসৰি এছপাইৰেথ্ৰাম (**Aspyrethrum**) বা নিম তেলৰ দৰে জৈৱিক দ্ৰব্য স্প্ৰে কৰিব লাগে।









উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়ৰ
দ্বাৰা প্ৰকাশিত
খানাপাৰা, গুৱাহাটী-২২

# জাৰ বেৰা



# Gerbera